যিয়ে সুন্দৰকৈ অজু কৰি জুমুআৰ বাবে উপস্থিত হয়, লগতে মনোযোগ সহকাৰে খুতবা শুনে আৰু মনে মনে থাকে, তাৰ দুই জুমুআৰ মাজৰ আৰু অধিক তিনি দিনৰ গুনাহ ক্ষমা কৰি দিয়া হয়।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যিয়ে সুন্দৰকৈ অজু কৰি জুমুআৰ বাবে উপস্থিত
হয়, লগতে মনোযোগ সহকাৰে খুতবা শুনে আৰু মনে মনে থাকে, তাৰ দুই জুমুআৰ মাজৰ আৰু অধিক তিনি দিনৰ গুনাহ ক্ষমা কৰি দিয়া হয়। আনহাতে যিয়ে (জুমুআৰ সময়ত) শিলগুটিৰে খেলি থাকে
সি অলাগতিয়াল কাম কৰে।"
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিয়ে অজুৰ আৰকান ছুন্নত আৰু নিয়ম অনুসৰি সুন্দৰকৈ অজু কৰিব আৰু তাৰ পিছত জুমুআৰ বাবে উপস্থিত হৈ মনোযোগ সহকাৰে ইমামৰ খুতবা শুনিব, লগতে অলাগতিয়াল কৰ্মৰ পৰা বিৰত থাকিব, আল্লাহে তাৰ দহ দিনৰ সকলো সৰু গুনাহ ক্ষমা কৰি দিব। এটা জুমুআৰ পৰা আন এটা জুমুআলৈ আৰু অধিক তিনিদিন ইয়াৰ অন্তৰ্ভুক্ত। কাৰণ সৎকৰ্মৰ প্ৰতিদান দহগুণ বৃদ্ধিকৈ দিয়া হয়। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে খুতবাৰ নছিহতৰ পৰা অমোনোযাগী হৈ থাকিবলৈ সতৰ্ক কৰিছে। এইদৰে অংগ-প্ৰত্যংগৰ দ্বাৰা শিলগুটি স্পৰ্শ কৰি খেলি থাকিবলৈ নিষেধ কৰিছে। কাৰণ যিয়ে এনেকুৱা কৰে সি দৰাচলতে অলাগতিয়াল কাম কৰে, আৰু যিয়ে অলাগতিয়াল কাম কৰে সি জুমুআৰ পৰিপূৰ্ণ ছোৱাবৰ পৰা বঞ্চিত হয়।

http://sunnah.global/hadeeth/as/show/5433